# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-06-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। কেন্দ্ৰীয় গ্ৰামোন্নয়ন তথা কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে কৈছে যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি আঁচনিৰ অধীনত মঙলবাৰে ৯ কোটি তিনিলাখ খেতিয়কৰ একাউণ্টলৈ প্ৰায় ২০ হাজাৰ কোটি টকা হস্তান্তৰ কৰিব।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভূজত থকা স্মৃতিবন ভূমিকম্প স্মাৰক সংগ্ৰহালয়ে UNESCOৰ প্ৰিক্স ৰ্ৰচাই সংগ্ৰহালয় বঁটাৰ বাবে বাঁচনি লাভ কৰাত সন্তোষ প্ৰকাশ কৰিছে।

৩। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি এখন উচ্চ পৰ্যায়ৰ বৈঠকত জম্মু-কাশ্মীৰৰ সুৰক্ষা পৰিস্থিতি আৰু অমৰনাথ যাত্ৰাৰ প্ৰস্তুতিৰ পৰ্যালোচনা চলাব।

৪। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কৈছে যে, বন্যপ্ৰাণীৰ সুৰক্ষা সুনিশ্চিত কৰাৰ উদ্দেশ্যে কাজিৰঙাত তিনিটা নতুন কামাণ্ডো বেটেলিয়ন নিয়োগ কৰা হৈছে।

*আৰু*

৫। ভাৰতৰ সুমিত নাগলে পেৰুগিয়া চেলেঞ্জাৰ টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০

কেন্দ্ৰীয় গ্ৰামোন্নয়ন তথা কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে কৈছে যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি আঁচনিৰ অধীনত মঙলবাৰে বাৰানসীৰ পৰা ৯ কোটি তিনিলাখ খেতিয়কৰ একাউণ্টলৈ প্ৰায় ২০ হাজাৰ কোটি টকা হস্তান্তৰ কৰিব। নতুন দিল্লীত কালি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীচৌহানে এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে, যোৱা ১০ বছৰত ১১ কোটি কৃষকৰ একাউণ্টলৈ ৩ লাখ কোটি টকা হস্তান্তৰ কৰা হৈছে।

মন্ত্ৰীগৰাকীয়ে কয় যে, তেওঁ সকলো ৰাজ্যৰ মুখ্যমন্ত্ৰীকে প্ৰধানমন্ত্ৰীৰ মঙলবাৰৰ অনুষ্ঠান অংশ ল'বলৈ পত্ৰ প্ৰেৰণ কৰিছে। তেওঁ কয় যে, গ্ৰামোন্নয়ন আৰু কৃষি তথা কৃষক কল্যাণ মন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত তেওঁ মন্ত্ৰালয়ৰ বিষয়াসকলৰ সৈতে কৃষক কল্যাণৰ লগত জড়িত প্ৰতিটো গুৰুত্বপূৰ্ণ বিষয় লৈ আলোচনা কৰিছে। শ্ৰীচৌহানে কয় যে, তেওঁ নতুন চৰকাৰৰ প্ৰথম ১০০ দিনৰ পৰিকল্পনাৰ অধীনত কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ৰ কাৰ্য পৰিকল্পনাৰ ইতিমধ্যে পৰ্যালোচনা চলাইছে। মন্ত্ৰীগৰাকীয়ে কয় যে তেওঁ প্ৰতিটো সমস্যাই গুৰুত্ব সহকাৰে ল'ব আৰু আঁচনিখনৰ নীতি-নিয়ন সলনি কৰাৰ আৰশ্যকতা অনুভৱ কৰিলে সংস্কাৰ সাধন কৰিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুজৰাটৰ ভূজত থকা স্মৃতিবন ভূমিকম্প স্মাৰক সংগ্ৰহালয়ে UNESCOৰ প্ৰিক্স ৰৰ্চাই সংগ্ৰহালয় বঁটাৰ বাবে বাঁচনি লাভ কৰাত সন্তোষ প্ৰকাশ কৰিছে। সামাজিক মাধ্যম যোগে শ্ৰীমোদীয়ে কয় যে, কচ্চত থকা স্মৃতিবন হৈছে ২০০১ চনৰ ভূমিকম্পত নিহতসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি। তেওঁ লগতে এয়া মানুহৰ সহনশীলতা আৰু সাহসৰ স্মৃতি বুলিও উল্লেখ কৰে। গৃহমন্ত্ৰী অমিত শ্বাহেও এই সাফল্যক দেশৰ বাবে গৌৰৱৰ বিষয় বুলি অভিহিত কৰে। তেওঁ কয় যে, স্মৃতিবনৰ এই সাফল্যই সমগ্ৰ বিশ্বতে ২০০১ চনৰ ভূমিকম্পত নিহতসকলৰ স্মৃতি বিয়পাব। আনহাতে গুজৰাটৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পেটেলেও স্থাপত্য আৰু আৰ্হিৰ ক্ষেত্ৰত UNESCOই প্ৰতি বছৰে ঘোষণা কৰা এই বঁটাৰ বাবে বিশ্বৰ ৭টা উল্লেখযোগ্য সংগ্ৰহালয়ৰ ভিতৰত স্মৃতিবনে স্থান লাভ কৰাৰ কথাটোত সন্তোষ প্ৰকাশ কৰে। সামাজিক মাধ্যম যোগে তেওঁ কয় যে, প্ৰথমবাৰৰ বাবে দেশৰ সংগ্ৰহালয়ে স্থানীয় সংস্কৃতি আৰু পৰিৱেশ সংৰক্ষণৰ বাবে বিশ্বমানৰ স্বীকৃতি লাভ কৰাটো গুজৰাটৰ বাবে গৌৰৱৰ বিষয়।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি এখন উচ্চ পৰ্যায়ৰ বৈঠকত জম্মু-কাশ্মীৰৰ সুৰক্ষা পৰিস্থিতি আৰু অমৰনাথ যাত্ৰাৰ প্ৰস্তুতিৰ পৰ্যালোচনা চলাব। বৈঠকত জম্মু-কাশ্মীৰৰ উপ-ৰাজ্যপাল মনোজ সিনহা, ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা অজিত দোভাল, কেন্দ্ৰীয় গৃহ সচিব, সেনা-আৰক্ষী আৰু জম্মু-কাশ্মীৰৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকিব। শ্ৰীশ্বাহে শুকুৰবাৰে নতুন দিল্লীত গৃহ মন্ত্ৰালয়ৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে অনুষ্ঠিত বৈঠকত জম্মু-কাশ্মীৰৰ সুৰক্ষা পৰিস্থিতিৰ পৰ্যালোচনা চলাইছিল।

০০০০০

আইন আৰু ন্যায় মন্ত্ৰালয়ে আজি কলকাতাত ফৌজদাৰী ন্যায় প্ৰণালীৰ প্ৰশাসনত ভাৰতৰ প্ৰগতিশীল পথ শীৰ্ষক এখন সন্মিলনৰ আয়োজন কৰিছে। আইন আৰু ন্যায় মন্ত্ৰালয়ে কৈছে যে, ভাৰতীয় ন্যায় সংহিতা ২০২৩, ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা আৰু ভাৰতীয় সাক্ষ অধিনিয়ম ২০২৩ৰ বিশেষ বৈশিষ্টসমূহ আলোচনা আৰু প্ৰশ্নোত্তৰ শিতানৰ মাধ্যমেৰে অৱগত কৰোৱাই এই সন্মিলনৰ মূল উদ্দেশ্যে।

ৰাষ্ট্ৰপতিয়ে যোৱা ডিচেম্বৰত অনুমোদন জনোৱা এই আইন তিনিখন পহিলা জুলাইৰ পৰা বলৱৎ হ'ব। মন্ত্ৰালয়ে কৈছে যে, এই আইন তিনিখনৰ বিষয়ে জনসাধাৰণ বিশেষকৈ আইন জগতৰ বিশিষ্ট ব্যক্তি, আইন বলৱৎকাৰী সংস্থা, শিক্ষাবিদ আৰু আইন পাঠ্যক্ৰমৰ ছাত্ৰ-ছাত্ৰীৰ মাজত সজাগতা সৃষ্টি উদ্দেশ্যে আইন পৰিক্ৰমা বিভাগে যোৱা দুমাহত নতুন দিল্লী আৰু গুৱাহাটীত দুখন গুৰুত্বপূৰ্ণ সন্মিলন অনুষ্ঠিত কৰিছে।

০০০০০

শয়নকক্ষযুক্ত বন্দে ভাৰত ৰে'লৰ পৰীক্ষামূলক চলাচল অহা দুমাহৰ ভিতৰত আৰম্ভ হ'ব। সম্প্ৰতি ৰে'ল বিভাগে বন্দে ভাৰত এক্সপ্ৰেছ চেয়াৰকাৰহে চলাচল কৰাই আছে। ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে নতুন দিল্লীত কয় যে, জনসাধাৰণে শয়নকক্ষ যুক্ত বন্দে ভাৰত ৰে'ল চলাচলৰ বাবে বহুদিনৰ পৰাই দাবী জনাই আহিছে। উল্লেখযোগ্য যে, বন্দে ভাৰত হৈছে দেশৰ প্ৰথমখন অৰ্ধ দ্ৰুতবেগী শ্ৰেণীৰ ৰে'ল। মন্ত্ৰীগৰাকীয়ে কয় যে, অহা ৫ বছৰত চৰকাৰে ৰে'ল আন্তঃগাঁথনি উন্নয়নত গুৰুত্ব আৰোপ কৰাৰ লগতে যাত্ৰীসকলক আৰামদায়ক যাত্ৰা সুবিধা প্ৰদানৰ বাবে চেষ্টা কৰিব। তেওঁ কয় যে, যোৱা ১০ বছৰত দেশত ৩৫ হাজাৰ কিলোমিটাৰ ৰে'লপথ নিৰ্মাণ কৰা হৈছে। নিম্ন আয়ৰ লোকসকলক আৰামদায়ক যাত্ৰা সুবিধা প্ৰদানত চৰকাৰে গুৰুত্ব আৰোপ কৰা বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ

কয় যে, অমৃত ভাৰত ৰে'লৰ নিৰ্মাণ বৃদ্ধিৰ বাবে কাম অব্যাহত আছে। চলিত গ্ৰীষ্মকাল ছোৱাত যাত্ৰীৰ ভিৰৰ প্ৰতি লক্ষ্য ৰাখি ৰে'ল বিভাগে প্ৰায় ৪ কোটি লোকে যাত্ৰা কৰিব পৰাকৈ প্ৰায় ২০ হাজাৰখন বিশেষ ৰে'লৰ চলাচল আৰম্ভ কৰিছে।

ooooo

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বিশেষকৈ বানৰ সময়ত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত জীৱকূলৰ সুৰক্ষা সুনিশ্চিত কৰাৰ উদ্দেশ্যে কালি অসামৰিক আৰু আৰক্ষী প্ৰশাসন আৰু উদ্যান কৰ্তৃপক্ষৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, বন্যপ্ৰাণীৰ সুৰক্ষা সুনিশ্চিত কৰিবলৈ কাজিৰঙাত তিনিটা নতুন  কামাণ্ডো বেটেলিয়ন নিয়োগ কৰা হৈছে। বানৰ সময়ত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত নতুন বন বেটেলিয়নৰ প্ৰায় ৬০০ জোৱান নিয়োগ কৰা হ'ব বুলি তেওঁ প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে বান আৰু আনুসংগিক কাৰণত কাজিৰঙাৰ মাটি-কালি হ্ৰাস পোৱাৰ ঘটনাৰো বুজ লয়। তেওঁ কয় যে, এনে সমস্যাৰ বাবে উদ্যানখনৰ বনভূমি হ্ৰাস পাইছে। এই সমস্যা অধ্যয়নৰ বাবে এটা যুটীয়া কাৰ্যবাহিনী গঠন কৰা হ'ব আৰু বাহিনীটোৱে সমস্যা সমাধানৰ পৰামৰ্শ আগবঢ়াব। দলটোৱে ৪৫ দিনৰ ভিতৰত চৰকাৰৰ ওচৰত প্ৰতিবেদন দাখিল কৰিব।

ooooo

অষ্টাদশ মুম্বাই আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ কালি মুম্বাইত আৰম্ভ হয়। তথ্য আৰু সম্প্ৰচাৰ ৰাজ্যমন্ত্ৰী এল মুৰুগন, মহাৰাষ্ট্ৰৰ সাংস্কৃতিক মন্ত্ৰী সুধীৰ মুংগানটিৱাৰকে ধৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তি এই অনুষ্ঠানত উপস্থিত থাকে। এই উপলক্ষে দিয়া ভাষণ ড° মুৰুগনে কয় যে, নিয়োগ সৃষ্টি আৰু বিকাশৰ ক্ষেত্ৰত এনিমেচন, ভিজুৱেল এফেক্স আৰু গেমিং খণ্ডৰ সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে শীঘ্ৰেই মুম্বাইত এই খণ্ডৰ এটা উৎকৰ্ষতা কেন্দ্ৰ স্থাপন কৰিব। আনহাতে চৰকাৰে চলচ্চিত্ৰ সম্পৰ্কীয় আইনৰ সংশোধনৰ জৰিয়তে চুৰি কাৰ্যক নিয়ন্ত্ৰণত ৰখাৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাৱলীৰ বিষয়েও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। মুম্বাই আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱে বিশ্বৰ চলচ্চিত্ৰ নিৰ্মাতাসকলক একত্ৰিত কৰাৰ বিষয়ে উল্লেখ কৰি ড° মুৰুগনে কয় যে, তথ্য চিত্ৰসমূহে অনন্য দক্ষতা, আৱেগ আৰু মানৱীয় বন্ধনক প্ৰদৰ্শন কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। কালিৰ আৰম্ভণি অনুষ্ঠানত FTIIৰ শিক্ষাৰ্থীসকলে নিৰ্মাণ কৰা Sunflowers were the first ones to know নামৰ চুটী ছবিখন প্ৰদৰ্শন কৰা হয়। উল্লেখযোগ্য যে, এই ছবিখনে চলিত বৰ্ষৰ কা চলচ্চিত্ৰ মহোৎসৱৰ লা চিনেফ বঁটা লাভ কৰিছিল।

ooooo

ভাৰতৰ সুমিত নাগলে পেৰুগিয়া চেলেঞ্জাৰ টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলৰ ফাইনেলত প্ৰৱেশ কৰিছে। সুমিতে কালি সংঘৰ্ষপূৰ্ণ ছেমি ফাইনেলত পূৰ্বৰ বিশ্বৰ ৩৭ নম্বৰ স্থানৰ খেলুৱৈ স্পেইনৰ বৰ্ণাবে জপাটা মিৰালেচক ৭-৬, ৭-২, ১-৬, ৬-২ ছেটত পৰাস্ত কৰে। সুমিত ফাইনেলত ইটালীৰ লুচিয়ানো দাৰ্ডেৰি আৰু জাৰ্মানীৰ ডেনিয়েল অল্টমেয়েৰৰ মাজৰ খেলখনৰ বিজয় খেলুৱৈগৰাকীৰ সন্মুখীন হ'ব। ইপিনে, প্ৰতিযোগিতাৰ ডাবলছৰ ফাইনেলত ভাৰতৰ এন শ্ৰীৰাম বালাজী আৰু জাৰ্মানীৰ আন্দ্ৰে বেগেমেনৰ যুটীটোক শীৰ্ষ বাছনিপ্ৰাপ্ত আৰ্জেণ্টিনাৰ গুইদো আন্দ্ৰেঅ'জি আৰু মেক্সিকোৰ মিগুৱেল এঞ্জেল ৰেয়েছ্‌-ৱৰেলাৰ হাতত ৪-৬, ৫-৭ ছেটত পৰাজিত হয়।

ooooo

ইংলেণ্ডে যোৱানিশা এণ্টিগুৱাৰ নৰ্থ ছাউণ্ডৰ ছাৰ ভিভিয়ান ৰিছাৰ্ডছ্ ষ্টেডিয়ামত অনুষ্ঠিত আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত নামিবিয়াক ডাকৱৰ্থ লুইছ্ পদ্ধতিৰ সহায়ত ৪১ ৰানত পৰাস্ত কৰে। নামিবিয়াই ১২৭ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১০ অভাৰত তিনিটা উইকেট হেৰুৱাই ৮৪ ৰানহে কৰিবলৈ সমৰ্থ হয়। ইয়াৰ পূৰ্বে ইংলেণ্ডে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি ১০ অভাৰত ১২২ কৰে। অৱশ্যে বৰষুণৰ বাবে খেলখন বিঘ্নিত হোৱাত নামিবিয়াৰ বাবে  বিজয় লক্ষ্যৰ সংশোধন কৰি ১২৭ ৰান ধাৰ্য কৰা হয়।

ইফালে, ভাৰত আৰু কানাডাৰ মাজত ফ্লৰিডাত হ'বলগা খেলখন বৰষুণৰ বাবে পৰিত্যক্ত ঘোষণা কৰিবলগীয়া হয়।

প্ৰতিযোগিতাৰ আজিৰ দুখন খেলৰ ভিতৰত প্ৰথমখনত অষ্ট্ৰেলিয়া স্কটলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। খেলখনত স্কটলেণ্ডে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি আমালৈ বাতৰি অহাৰ পৰলৈকে ১২  অভাৰত ৩টা উইকেট হেৰুৱাই ১১২ ৰান সংগ্ৰহ কৰি খেলি আছিল।

আনহাতে দ্বিতীয়খন খেলত পাকিস্তান আয়াৰলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব।

ooooo

**সমাপ্ত**